Paper – 6.1

(1)



## অসমত অসহযোগ আন্দোলনৰ প্ৰভাৱ আলোচনা কৰা।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত ১৯২০ চনৰ ১ আগষ্টৰ পৰা আৰম্ভ হোৱা অসহযোগ আন্দোলনৰ প্ৰভাৱ অসমত যথেষ্ট পৰিমাণে পৰিছিল। বিভিন্ন কাৰণত আৰম্ভ হোৱা এই আন্দোলন পৰিচালনা আৰু নেতৃত্ব দিছিল মহাত্মা গান্ধীয়ে। সম্পূৰ্ণ অহিংস পন্থাৰে আৰম্ভ হোৱা এই আন্দোলনৰ মূল কাৰ্যসূচীসমূহ আছিল (১) বিদেশী বস্তু বৰ্জন (২) বৃটিছ ভাৰত চৰকাৰে প্ৰদান কৰা উপাধি, খিতাপ আৰু বিষয়বাব পৰিত্যাগ (৩) স্থানীয় নিকায় সমূহৰ সদস্য পদ ত্যাগ (৪) চৰকাৰী সভা-সমিতি আৰু অনুষ্ঠানত অংশগ্ৰহণৰ পৰা বিৰত থকা (5) চৰকাৰী নিয়ন্ত্ৰিত, পৰিচালিত আৰু সাহায্যপ্ৰাপ্ত স্কুল-কলেজ বৰ্জন আৰু জাতীয় বিদ্যালয়, শিক্ষানুষ্ঠান আদি গঢ়ি তোলা (6) কোৰ্ট কাছাৰী বৰ্জন, স্থানীয়ভাবে বিচাৰ মীমাংসা কৰাৰ ব্যৱস্থা গ্ৰহণ।

অসমত অসহযোগ আন্দোলনৰ সংগঠক, পৰিচালক আৰু অংশগ্ৰহণকাৰী সকল আছিল ছাত্ৰ সমাজ। চন্দ্ৰনাথ শৰ্মা, কুলধৰ চলিহা, তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ আছিল এই আন্দোলনৰ অগ্ৰদূত। বিদেশী সামগ্ৰী বিশেষকৈ মদ-ভাং, কানি আদিৰ দোকানৰ সন্মুখত পিকেটিং সভা-সমিতি অনুষ্ঠিত কৰা, শোভাযাত্ৰা আদিত ছাত্ৰসকলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ আছিল। কংগ্ৰেছ সমিতি গঠন আৰু সদস্য ভৰ্তিৰ ক্ষেত্ৰতো ছাত্ৰসমাজে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। এই আন্দোলনৰ বিৰোধিতা কৰি একাংশ নেতা (নীলমণি ফুকন, শিৱপ্ৰসাদ বৰুৱা, পদ্মনাথ গোহাঁই বৰুৱা আদি)ই প্ৰতিৰোধ আন্দোলনো গঢ়ি তুলিছিলে।

অসমত অসহযোগ আন্দোলনৰ কাৰ্যসূচীসমূহ দক্ষভাৱে পৰিচালনা কৰাত অসম ছাত্ৰ সন্মিলনৰ নেতৃবৃন্দৰ ভূমিকা উল্লেখযোগ্য। অসমত স্বাধীনতা আন্দোলনৰ ভেটি মজবুত কৰাত এই আন্দোলনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। শিক্ষানুষ্ঠান বৰ্জন কাৰ্যসূচী আৰম্ভ কৰিছিল কটন কলেজৰ একাংশ ছাত্ৰ নেতাই আৰু পিছলৈ অসমৰ বিভিন্ন ঠাইত ইয়াৰ প্ৰভাৱ পৰিবলৈ ধৰে। এই কাৰ্যসূচীয়ে পিকেটিং কৰা লোকৰ সংখ্যা বৃদ্ধি কৰাৰ লগতে চৰকাৰৰ সাম্ৰাজ্যবাদী নীতি নীতিৰ বিৰুদ্ধে গণচেতনা বৃদ্ধিতো সহায়ক হৈছিল।

অসহযোগ আন্দোলনত উকীলসকলৰ অংশগ্ৰহণ যথেষ্ট

গুৰুত্বপূৰ্ণ। ইতিমধ্যে চন্দ্ৰনাথ শৰ্মাই আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিছিল, মহঃ তৈয়বুল্লাহ, তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, কুমুদ বৰা আদিয়ে ওকালতি এৰি আন্দোলনত যোগ দিছিল।

কৃষক সকলৰ অংশগ্ৰহণো যথেষ্ট গুৰুত্বপূৰ্ণ। উত্তৰ-আৰু দক্ষিণ কামৰূপৰ কৃষকসকলে আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণৰ লগতে খাজনা বন্ধ আন্দোলনো আৰম্ভ কৰে।

চাহ শ্ৰমিকৰ অংশগ্ৰহণ - এই আন্দোলনৰ অন্যতম সফলতা আছিল। হেলেম চাহ বাগিচাত আৰম্ভ হোৱা শ্ৰমিক বিক্ষোভে পিছলৈ সমগ্ৰ অসমৰ চাহ শ্ৰমিক সকলক এই আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল। চাহ শ্ৰমিকৰ অংশগ্ৰহণে আন্দোলন অধিক তীব্ৰ আৰু ব্যাপক কৰি তুলিছিল।

১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধীয়ে অসম ভ্ৰমণ কৰে আৰু তেওঁৰ আগমনে অসমত আন্দোলন অধিক তীব্ৰ কৰি তোলে।

বৃটিছ ভাৰত চৰকাৰে অসমত আন্দোলন দমিবৰ কৰিবলৈ বিভিন্ন শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯২১ চনৰ ৩০ নৱেম্বৰত তৰুণ ফুকন আৰু নবীনচন্দ্ৰ বৰদলৈক গ্ৰেপ্তাৰ কৰা হয়। ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় ১২০০ লোকক কাৰাবন্দী কৰা হৈছিল। সমগ্ৰ অসমত প্ৰায় ৪০০০ লোক বন্দী হৈছিল। যোৰহাট, মঙ্গলদৈ, কামৰূপৰ বিভিন্ন লোক বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছিল।

অসহযোগ আন্দোলন - ১৯২২ চনৰ ৫ Feb. ত চৌৰিচৌৰাত হোৱা হিংসাত্মক ঘটনাৰ কাৰণে 12 Feb. ত বন্ধ কৰি দিয়া হৈছিল। এই আন্দোলনৰ প্ৰভাৱ বিভিন্ন ক্ষেত্ৰত লক্ষণীয়। অসমত মাদক দ্ৰব্যৰ ব্যৱহাৰ হ্ৰাস পাইছিল, জাতীয় বিদ্যালয় স্থাপন বৃদ্ধি পাইছিল। হিন্দু-মুছলমানৰ একতা বৃদ্ধিত এই আন্দোলনে বিশেষ প্ৰভাৱ পেলাইছিল।